**03-12-2025** প্ৰাতঃমুৰুলী ওঁম্ শান্তি**!** "বাপদাদা" মধুবন।

মৰমৰ সন্তানসকল **–** "তোমালোক এতিয়া পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ পিতাৰ কোলালৈ আহিছা**,** তোমালোক মনেৰেও পৱিত্ৰ হ'ব লাগে"

প্ৰশ্ন: পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ সন্তানসকলৰ নিচা আৰু লক্ষণ কি হ'ব?

উত্তৰ: তেওঁলোকৰ নিচা থাকিব যে আমি পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ পিতাৰ কোলালৈ আহিছোঁ। আমি আটাইতকৈ পৱিত্ৰ দেৱী-দেৱতা হওঁগে, তেওঁলোকৰ মনতো কোনো বেয়া খেয়াল উদয় হ'ব নোৱাৰে। তেওঁলোক সুবাসিত ফুল হয়, তেওঁলোকৰ দ্বাৰা কোনো ওলোটা কৰ্ম হ'ব নোৱাৰে। তেওঁলোক অন্তৰ্মুখী হৈ নিজক পৰীক্ষা কৰে যে মোৰ পৰা সকলোৱে সুবাস পায়নে? মোৰ চক্ষু কাৰোবাৰ প্ৰতি আকৰ্ষিততো নহয়?

গীত: মৰণা তেৰী গলী মে…..… (তোমাৰ গলিতেই যেন মৰোঁ………)

ওঁম্ শান্তি। সন্তানসকলে গীতটি শুনিলা আকৌ ইয়াৰ অৰ্থও ভিতৰি বিচাৰ সাগৰ মন্থন কৰি উলিয়াব লাগে। এনেকৈ কোনে ক'লে যে তোমাৰ গলিতেই যেন মৰোঁ? আত্মাই ক'লে কিয়নো আত্মা হৈছে পতিত। পাৱন বুলিতো অন্তিমতহে কোৱা হ'ব বা পাৱন বুলি তেতিয়া ক'ব যেতিয়া শৰীৰো পাৱন পাব। এতিয়াতো পুৰুষাৰ্থী। এইটোও জানা – পিতাৰ ওচৰত আহি মৰিবলগীয়া হয়। এজন পিতাক ত্যাগ কৰি অন্যক আকোৱালি লোৱা মানে এজনৰ ওচৰত মৰি আনজনৰ ওচৰত জীৱন যাপন কৰা। লৌকিক পিতাৰো সন্তানে শৰীৰ ত্যাগ কৰিলে তেতিয়া অন্য পিতাৰ ওচৰত গৈ জন্ম ল'ব নহয়। এয়াও তেনেকুৱাই। মৰি আকৌ পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰজনৰ কোলালৈ তোমালোক যোৱা। পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ কোন? (পিতা) আৰু পৱিত্ৰ কোন? (সন্ন্যাসী), হয়, এই সন্ন্যাসী আদিক পৱিত্ৰ বুলি কোৱা হ'ব। তোমালোকৰ আৰু সন্ন্যাসীসকলৰ মাজত পাৰ্থক্য আছে। তেওঁলোক পৱিত্ৰ হয় কিন্তু জন্মতো পতিতৰ পৰাই লয় নহয়। তোমালোক পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ হৈ যোৱা। তোমালোকক গঢ়ি তোলোঁতাজন হৈছে পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ পিতা। তেওঁলোক ঘৰ-সংসাৰ ত্যাগ কৰি পৱিত্ৰ হয়। আত্মা পৱিত্ৰ হয় নহয়। তোমালোক স্বৰ্গত দেৱী-দেৱতা হোৱা সেয়েহে তোমালোক পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ হোৱা। তোমালোকৰ এই সন্ন্যাস হৈছে বেহদৰ। তেওঁলোকৰ হৈছে হদৰ। তেওঁলোক পৱিত্ৰ হয়, তোমালোক পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ হোৱা। বুদ্ধিয়েও কয় – আমিতো নতুন সৃষ্টিলৈ যাওঁ। সেই সন্ন্যাসীসকল আহেই ৰজো অৱস্থাত। পাৰ্থক্য হৈ গ'ল নহয়। ক'ত ৰজো, ক'ত সতোপ্ৰধান। তোমালোক পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰজনৰ দ্বাৰা আটাইতকৈ পৱিত্ৰ হোৱা। তেওঁ জ্ঞানৰ সাগৰো হয়, প্ৰেমৰ সাগৰো হয়। ইংৰাজীত "অচেন অফ্ ন'লেজ" (জ্ঞানৰ সাগৰ), "অচেন অফ্ ল'ভ" (প্ৰেমৰ সাগৰ) বুলি কয়। তোমালোকক কিমান যে উচ্চ কৰি গঢ়ি তোলে। এনেহেন উচ্চতকৈও উচ্চ আটাইতকৈ পৱিত্ৰজনক আহ্বান জনায় যে আহি পতিতসকলক পাৱন কৰি তোলক। পতিত সৃষ্টিলৈ আহি আমাক পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ কৰি গঢ়ি তোলক। গতিকে সন্তানসকলৰ ইমান নিচা থাকিব লাগে যে আমাক কোনে পঢ়ায়! আমি কি হ'মগৈ? দৈৱীগুণো ধাৰণ কৰিব লাগে। সন্তানসকলে লিখে - বাবা মায়াই আমাৰ আগত বহুত ধুমুহা আনে। আমাক মনেৰে শুদ্ধ হ'বলৈ নিদিয়ে, কিয় এনেকুৱা বেয়া খেয়াল আহে যিহেতু আমি পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ হ'ব লাগে? পিতাই কয় - এতিয়া তোমালোক একেবাৰে অপৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ অপৱিত্ৰ হৈ আছা। বহুত জন্মৰ অন্তত এতিয়া পিতাই পুনৰ তোমালোকক তীব্ৰতাৰে পঢ়ায়। গতিকে সন্তানসকলৰ বুদ্ধিত এইটো নিচা থাকিব লাগে - আমি কি হৈ আছোঁ। এই লক্ষ্মী-নাৰায়ণক এনেকৈ কোনে গঢ়ি তুলিলে? ভাৰত স্বৰ্গ আছিল নহয়। এই সময়ত ভাৰত তমোপ্ৰধান ভ্ৰষ্টাচাৰী। আকৌ ইয়াক আমি পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ কৰি গঢ়ি তোলোঁ। গঢ়ি তোলোঁতাতো নিশ্চয় লাগে নহয়। নিজৰ ভিতৰতো এইটো নিচা জাগিব লাগে যে আমি দেৱতা হ'ব লাগে। তাৰ বাবে গুণো তেনেকুৱা হোৱা উচিত। একেবাৰে তলৰ পৰা ওপৰলৈ উঠি আছা। ছিৰিৰ চিত্ৰতো "উত্থান আৰু পতন" বুলি লিখা আছে নহয়। যিসকল অধঃপতিত হৈ গৈছে তেওঁলোকে কেনেকৈ নিজক পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ বুলি ক'ব পাৰিব। পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ পিতাহে আহি সন্তানসকলক পৱিত্ৰ কৰি তোলে। তোমালোক ইয়ালৈ আহিছাই বিশ্বৰ মালিক পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ হ'বলৈ, তেন্তে কিমান নিচা থাকিব লাগে। বাবাই আমাক কিমান উচ্চ কৰি গঢ়ি তুলিবলৈ আহিছে। মন-বাণী-কৰ্মৰে পৱিত্ৰ হ'ব লাগে। সুবাসিত ফুল হ'ব লাগে। সত্যযুগক কোৱাই হয় - ফুলৰ বাগিচা। কোনো দুৰ্গন্ধ যাতে নাথাকে। দেহ-অভিমানক দুৰ্গন্ধ বুলি কোৱা হয়। কাৰো প্ৰতি যাতে কু-দৃষ্টি

নাযায়। এনেকুৱা ওলোটা কাম কৰিব নালাগে যাৰ বাবে অন্তৰ দহি থাকে আৰু হিচাপ সৃষ্টি হৈ যায়। তোমালোকে 21 জন্মৰ বাবে ধন জমা কৰা। তোমালোক সন্তানসকলে জানা যে আমি সম্পত্তিৱান হৈ আছোঁ। নিজক অৰ্থাৎ আত্মাক চাব লাগে যে মই দৈৱীগুণেৰে ভৰপূৰ হৈছোঁনে? যেনেকৈ বাবাই কয় তেনেকৈ মই পুৰুষাৰ্থ কৰোঁনে। তোমালোকৰ লক্ষ্য-উদ্দেশ্যতো চোৱা কেনেকুৱা। ক'ত সন্ন্যাসী, ক'ত তোমালোক!

তোমালোক সন্তানসকলৰ নিচা থাকিব লাগে যে আমি কাৰ কোলালৈ আহিছোঁ! আমাক কি কৰি গঢ়ি তোলে? অন্তৰ্মুখী হৈ চাব লাগে - আমি কিমানলৈকে যোগ্য হৈ হৈছোঁ? আমি কিমান ফুলৰ দৰে হোৱা উচিত, যাতে সকলোৱে জ্ঞানৰ সুবাস পায়? তোমালোকে বহুতকে সুবাস দিয়া নহয়। নিজৰ সমান কৰি গঢ়ি তোলা। প্ৰথমেতো নিচা থাকিব লাগে – আমাক পঢ়াওঁতাজন কোন! সেই সকলোবোৰ হৈছে ভক্তিমাৰ্গৰ গুৰু। একমাত্ৰ পৰমপিতা পৰমাত্মাৰ বাহিৰে জ্ঞানমাৰ্গত কোনো গুৰু থাকিব নোৱাৰে। বাকী হৈছে ভক্তিমাৰ্গৰ। ভক্তি থাকেই কলিযুগত। ৰাৱণৰ প্ৰৱেশ হয়। এইটোও জগতত কোনেও গম নাপায়। এতিয়া তোমালোকে জানা, সত্যযুগত আমি 16 কলা সম্পূৰ্ণ আছিলোঁ, তাৰপাছত এদিনো যদি অতিবাহিত হয় তেন্তে তাক জানো পূৰ্ণিমা বুলি ক'ব। এয়াও এনেকুৱা। ধীৰে ধীৰে ওকনিৰ নিচিনাকৈ চক্ৰ ঘূৰি থাকে। এতিয়া তোমালোক পূৰা 16 কলা সম্পূৰ্ণ হ'ব লাগে, সেয়াও আধাকল্পৰ বাবে। পুনৰ কলা কম হৈ যায়, তোমালোকৰ বুদ্ধিত এই জ্ঞান আছে গতিকে তোমালোক সন্তানসকলৰ কিমান নিচা থাকিব লাগে। বহুতৰে বুদ্ধিত এইটো উদয়ে নহয় যে আমাক পঢ়াওঁতাজন কোন? জ্ঞানৰ সাগৰ। সন্তানসকলকতো কয় - 'নমস্কাৰ সন্তানসকল'। তোমালোক ব্ৰহ্মাণ্ডৰো মালিক হোৱা, তাত সকলো থাকা পুনৰ বিশ্বৰ মালিকো তোমালোক হোৱা। তোমালোকৰ উৎসাহ বঢ়াবৰ বাবে পিতাই কয় - তোমালোক মোতকৈও উচ্চ হোৱা। মই বিশ্বৰ মালিক নহওঁ, নিজতকৈও তোমালোকক উচ্চ মহিমামণ্ডিত তোলোঁ। পিতাৰ সন্তানে উচ্চলৈ আৰোহণ কৰে তেতিয়া পিতাই বুজিব নহয় যে এওঁলোকে পঢ়ি ইমান উচ্চ পদ পাইছে। পিতায়ো কয় - মই তোমালোকক পঢ়াওঁ। এতিয়া নিজৰ পদ যিমানে গঢ়ি তুলিব বিচৰা, পুৰুষাৰ্থ কৰা। পিতাই আমাক পঢ়ায় - প্ৰথমেতো নিচা বাঢ়িব লাগে। পিতাইতো যেতিয়াই তেতিয়াই আহি কথা-বতৰা পাতে। তেওঁতো যেন এওঁৰ মাজত আছেই। তোমালোক সন্তানসকল তেওঁৰেই হোৱা নহয়। এই ৰথো তেওঁৰেই নহয় জানো। গতিকে এনেকুৱা পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ পিতাৰ আগমন হৈছে, তোমালোকক পাৱন কৰি তোলে। এতিয়া তোমালোকে আকৌ আনকো পাৱন কৰি তোলা। মই এতিয়া অৱসৰ লৈছোঁ। যিহেতু তোমালোক পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ হোৱা গতিকে ইয়ালৈ কোনো পতিত আহিব নোৱাৰে। এয়া হৈছে পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ গীৰ্জা। সেই গীৰ্জালৈতো বিকাৰী সকলো যায়, সকলো পতিত অপৱিত্ৰ। এইটোতো বহুত ডাঙৰ পৱিত্ৰ গীৰ্জা। ইয়াত কোনো পতিতে পদাৰ্পণো কৰিব নোৱাৰে। কিন্তু এতিয়া (তেনেকুৱা) কৰিব নোৱাৰে। যেতিয়া সন্তানসকলো এনেকুৱা হৈ যাব তেতিয়া এনেকুৱা নিয়ম ওলাব। ইয়াত ভিতৰলৈ কোনো আহিব নোৱাৰে। সোধে নহয় যে আমি আহি সভাত বহিমনে? বাবাই কয় - বিষয়া আদিৰ লগত কাম থাকিলে তেওঁলোকক বহুৱাবলগীয়া হয়। যেতিয়া তোমালোকৰ নাম প্ৰসিদ্ধ হৈ যাব তেতিয়া তোমালোকে কাৰো প্ৰতি ভ্ৰূক্ষেপ কৰিবলগীয়া নহ'ব। এতিয়া কৰিবলগীয়া হয়, পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰজনো নতশিৰ হৈ থাকে। এতিয়া আপত্তি কৰিব নোৱাৰি। প্ৰভাৱ বিস্তাৰ হ'লে তেতিয়া লোকসকলৰ শত্ৰুতাও কম হৈ যাব। তোমালোকেও বুজাবা যে আমাক ব্ৰাহ্মণসকলক ৰাজযোগ শিকাওঁতাজন হৈছে পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ পিতা। সন্ন্যাসীসকলক পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ বুলি ক'ব জানো। তেওঁলোক আহেই ৰজোগুণত। তেওঁলোক বিশ্বৰ মালিক হ'ব পাৰে জানো? এতিয়া তোমালোক পুৰুষাৰ্থী। কেতিয়াবাতো চাল-চলন বহুত ভাল হয়, কেতিয়াবাতো আকৌ এনেকুৱা চলন হৈ যায় যে নাম বদনাম কৰি দিয়ে। বহুত সেৱাকেন্দ্ৰত এনেকুৱাও আহে যিয়ে একোৱেই চিনি নাপায়। তোমালোকে নিজকো পাহৰি যোৱা যে আমি কি হওঁগৈ। পিতায়ো চলনৰ পৰা বুজি পায় - এওঁ কি হ'বগৈ? ভাগ্যত উচ্চ পদ থাকিলে চলন বহুত মাৰ্জিত হ'ব। কেৱল স্মৃতিত থাকিব লাগে যে আমাক পঢ়াওঁতাজন কোন তেতিয়া অপাৰ আনন্দ থাকিব। আমি ঈশ্বৰ পিতাৰ বিদ্যাৰ্থী তেন্তে কিমান সন্মান দিব লাগে। এতিয়াও শিকি আছোঁ। পিতাইতো বুজি পায় যে এতিয়া সময় লাগিব। প্ৰতিটো কথাত ক্ৰমানুসৰিতো হয়েই। ঘৰো প্ৰথমতে সতোপ্ৰধান হয় তাৰপাছত সতো-ৰজো-তমো হয়। এতিয়া তোমালোক সতোপ্ৰধান, 16 কলা সম্পূৰ্ণ হ'বলৈ গৈ আছা। গৃহ নিৰ্মাণ হৈ গৈ থাকে। তোমালোক সকলোৱে মিলি স্বৰ্গৰ গৃঢ় নিৰ্মাণ কৰি আছা। ইয়াৰ বাবেও তোমালোক বহুত আনন্দিত হোৱা উচিত। ভাৰত যি আটাইতকৈ অপৱিত্ৰসকলৰ ভিতৰতো অপৱিত্ৰ হৈ গৈছে, সেই ভাৰতক আমি পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ কৰি তোলোঁ, গতিকে নিজৰ ক্ষেত্ৰত কিমান সাৱধানতা অৱলম্বন কৰিব লাগে। আমাৰ দৃষ্টি এনেকুৱা হ'ব নালাগে যাৰ বাবে আমাৰ পদেই ভ্ৰষ্ট হৈ যায়। এনেকুৱা নহয় যে বাবালৈ লিখিলে বাবাই কি ক'ব। নহয়, এতিয়াতো সকলোৱে পুৰুষাৰ্থ কৰি আছে। তেওঁলোককো জানো এতিয়া পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ বুলি কোৱা হ'ব। যেতিয়া হৈ যাব তেতিয়াতো আকৌ এই শৰীৰো নাথাকিব। তোমালোকো পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ

হোৱা। বাকী তাত পদমৰ্যাদা আছে। তাৰ বাবে পুৰুষাৰ্থ কৰিব লাগে আৰু কৰাব লাগে। বাবাই সাৰ কথাতো বহুত শুনাই থাকে। কোনোবা আহিলে পাৰ্থক্য দেখুৱাই দিয়া। ক'ত এওঁলোক পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ, ক'ত তেওঁলোক পৱিত্ৰসকল। এই লক্ষ্মী-নাৰায়ণৰতো জন্মই সত্যযুগত হয়। তেওঁলোক আহেই পাছত, কিমান পাৰ্থক্য। সন্তানসকলে বুজি পায় – শিৱবাবাই আমাক এনেকুৱা কৰি গঢ়ি আছে। তেওঁ কয় – মামেকম্ (কেৱল মোক) স্মৰণ কৰা। নিজক অশৰীৰী আত্মা বুলি বুজা। উচ্চতকৈও উচ্চ শিৱবাবাই পঢ়াই উচ্চতকৈও উচ্চ কৰি গঢ়ি তোলে, আমি ব্ৰহ্মাৰ দ্বাৰা এয়া পঢ়োঁ। ব্ৰহ্মাই বিষ্ণু হয়গৈ। এয়াও তোমালোকে জানা। মনুষ্যইতো একোৱেই বুজি নাপায়। এতিয়া গোটেই সৃষ্টিত ৰাৱণৰ ৰাজ্য। তোমালোকে ৰামৰাজ্য স্থাপনা কৰি আছা, যাৰ বিষয়ে তোমালোকে জানা। ড্ৰামা অনুসৰি আমি স্বৰ্গ স্থাপনা কৰাৰ যোগ্য হৈ আছোঁ। এতিয়া বাবাই যোগ্য কৰি আছে। পিতাৰ বাহিৰে কোনেও শান্তিধাম, সুখধামলৈ লৈ যাব নোৱাৰে। মনে সজা কথা কৈ থাকে অমুকো স্বৰ্গলৈ গ'ল, মুক্তিধামলৈ গ'ল। পিতাই কয় - এই বিকাৰী, পতিত আত্মাসকল শান্তিধামলৈ কেনেকৈ যাব। তোমালোকে ক'ব পাৰা তেতিয়াহে বুজিব এওঁলোকৰ কিমান নিচা আছে। এনেকৈ বিচাৰ সাগৰ মন্থন কৰা, কেনেকৈ বুজোৱা হয়। চলোঁতে-ফুৰোঁতে অন্তৰত উদয় হ'ব লাগে। ধৈৰ্যও ধৰিব লাগে, আমিও যাতে যোগ্য হৈ যাওঁ। ভাৰতবাসীয়েই সম্পূৰ্ণ যোগ্য আৰু সম্পূৰ্ণ অযোগ্য হৈ যায়। অন্য কোনো নহয়। এতিয়া পিতাই তোমালোকক যোগ্য কৰি আছে। জ্ঞান বহুত আনন্দদায়ক হয়। অন্তৰ বহুত আনন্দিত হৈ থাকে - আমি এই ভাৰতক পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ কৰি গঢ়ি তুলিম। চলন বহুত মাৰ্জিত হ'ব লাগে। খোৱা-বোৱা, চলনৰ পৰা গম পোৱা যায়। শিৱবাবাই তোমালোকক কিমান উচ্চ কৰি গঢ়ি তোলে। তেওঁৰ সন্তান হৈছা গতিকে নাম প্ৰসিদ্ধ কৰিব লাগে। চলন এনেকুৱা হ'ব লাগে যাতে বুজি পায় এওঁতো পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰজনৰ সন্তান। লাহে লাহে তোমালোক হৈ যাবাগৈ। মহিমা হৈ গৈ থাকিব। তেতিয়া সকলো বিধি-বিধান ওলাব, যে কোনো পতিত ভিতৰলৈ আহিব নোৱাৰিব। বাবাই বুজিব পাৰে, এতিয়া সময়ৰ প্ৰয়োজন। সন্তানসকলে বহুত পুৰুষাৰ্থ কৰিব লাগে। নিজৰ ৰাজধানীও তৈয়াৰ হৈ যাওঁক। তেতিয়া বিধি-বিধান কৰাত কোনো আপত্তি নাই। তেতিয়াতো ইয়াৰ পৰা তলৰ আবুৰোডলৈকে শাৰী হৈ যাব। এতিয়া তোমালোক আগবাঢ়ি যোৱা। বাবাই তোমালোকৰ ভাগ্য বৃদ্ধি কৰি গৈ থাকে। পদম ভাগ্যশালী বুলিও নিয়ম অনুসৰিয়ে কয় নহয়। চৰণত পদম দেখুৱায় নহয়। এই সকলোবোৰ তোমালোক সন্তানসকলৰ মহিমা। তথাপিও পিতাই কয় - 'মনমনাভৱ' পিতাক স্মৰণ কৰা। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) এনেকুৱা কোনো কাম কৰিব নালাগে যাৰ বাবে অন্তৰ দহি থাকে। সম্পূৰ্ণ সুবাসিত ফুল হ'ব লাগে। দেহ-অভিমানৰ দুৰ্গন্ধ আঁতৰাই দিব লাগে।

(2) চলন বহুত মাৰ্জিত কৰি ৰাখিব লাগে। পৱিত্ৰসকলৰ ভিতৰত আটাইতকৈ পৱিত্ৰ হোৱাৰ পুৰুষাৰ্থ কৰিব লাগে। দৃষ্টি এনেকুৱা হ'ব নালাগে যাৰ বাবে পদ ভ্ৰষ্ট হৈ যায়।

**বৰদান:** নিৰাশাৰ চিতাত বহি থকা আত্মাসকলক নৱজীৱন দান দিওঁতা ত্ৰিমূৰ্তি প্ৰাপ্তিৰে সম্পন্ন হোৱা

সংগমযুগত পিতাৰ দ্বাৰা সকলো সন্তানৰ সৰ্বদা স্বাস্থ্যৱান, সম্পত্তিৱান আৰু সুখী হৈ থকাৰ ত্ৰিমূৰ্তি বৰদান প্ৰাপ্ত হয় যিসকল সন্তান এই তিনিওটা প্ৰাপ্তিৰে সদায় সম্পন্ন হৈ থাকে তেওঁলোকৰ সৌভাগ্য, হৰ্ষিতমুখ চেহেৰা দেখি মানৱ জীৱনত জীয়াই থকাৰ উৎসাহ-উদ্দীপনা আহি যায় কিয়নো এতিয়া মনুষ্য জীৱন্ত হৈ থাকিও নিৰাশাৰ চিতাত বহি আছে। এতিয়া এনেকুৱা আত্মাসকলক জীৱন্তে মৃত কৰি তোলা। নৱজীৱনৰ দান দিয়া। সদায় যাতে স্মৃতিত থাকে যে এই তিনিওটা প্ৰাপ্তি আমাৰ জন্মসিদ্ধ অধিকাৰ। তিনিওটা ধাৰণাৰ বাবে বিশেষ মনোযোগ দিয়া।

**শ্লোগান:** অনাসক্ত আৰু অধিকাৰী হৈ কৰ্মত আহা - এয়াই বন্ধনমুক্ত স্থিতি।

!! ওঁম্ শান্তি !!

অব্যক্ত সংকেত**:** এতিয়া সম্পন্ন তথা কৰ্মাতীত হোৱাত মনোনিবেশ কৰা

কৰ্মাতীতৰ অৰ্থই হৈছে - সকলো প্ৰকাৰৰ হদৰ স্বভাৱ-সংস্কাৰৰ পৰা অতীত অৰ্থাৎ উৰ্দ্ধত। হদ হৈছে বন্ধন, বেহদ হৈছে

নিৰ্বন্ধন। পিতা ব্ৰহ্মাৰ সমান এতিয়া হদৰ ‘মোৰ’ ‘মোৰ’ৰ পৰা মুক্ত হোৱাৰ অৰ্থাৎ কৰ্মাতীত হোৱাৰ অব্যক্ত দিৱস উদ্‌যাপন কৰা, ইয়াকেই স্নেহৰ প্ৰমাণ বুলি কোৱা হয়।